জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৫/২০২১

## ইফ্‌কোৱে প্ৰস্তুত কৰা নেন’ ইউৰিয়া প্ৰথমবাৰৰ বাবে অসমলৈ প্ৰেৰণ প্ৰক্ৰিয়াৰ ভাৰ্চুৱেলী ফ্লেগ অফ্ কৰিলে মুখ্যমন্ত্ৰীয়ে

# অসমত এটা নেন’ইউৰিয়া উৎপাদন প্ৰকল্প স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ ইফ্‌কোক মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আহ্বান

**দিছপুৰ, ৭ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত নিজ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক ভিডিঅ’ কনফাৰেন্সৰ জৰিয়তে ইণ্ডিয়ান ফাৰ্মাৰ্ছ ফাৰ্টিলাইজাৰ কো-অপাৰেটিভ লিমিটেড (ইফ্‌কো)ৰে প্ৰস্তুত কৰা নেন’ ইউৰিয়া প্ৰথমবাৰৰ বাবে অসমলৈ প্ৰেৰণ প্ৰক্ৰিয়াৰ ভাৰ্চুৱেলী ফ্লেগ অফ কৰে। উল্লেখযোগ্য যে বিশ্বত প্ৰথমবাৰৰ বাবে ইফ্‌কোৱে নেন’ইউৰিয়া টেকন’ল’জি উদ্ভাৱন কৰিছে, যি কৃষিক্ষেত্ৰত প্ৰয়োগৰ ক্ষেত্ৰত পৰম্পৰাগত ইউৰিয়াৰ শক্তিশালী বিকল্প হৈ উঠিব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইফ্‌কোৰ এই পদক্ষেপক আধুনিক কৃষিৰ ইতিহাসত এক যুগান্তকাৰী ঘটনা বুলি অভিহিত কৰে। এই অসামান্য সাফল্যৰ বাবে তেওঁ সংস্থাটোক অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন সাধনত ই নিৰ্ণায়ক প্ৰদৰ্শন আগবঢ়াই যাবলৈ সক্ষম হ’ব বুলি আশা প্ৰকাশ কৰে।

দেশৰ কৃষকসকলৰ সৰ্বাংগীন কল্যাণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্যৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৯-২০ বিত্তীয় বৰ্ষত ভাৰত চৰকাৰে মাথোঁ ইউৰিয়াৰ ৰাজসাহায্য হিচাপেই ৫৫ হাজাৰ কোটি টকা ব্যয় কৰিছে। নেন’ ইউৰিয়াৰ উদ্ভাৱনে ৰাজকোষৰ এই বৃহৎ পুঁজি বচোৱাত সহায়ক হ’ব বুলি তেওঁ আশা প্ৰকাশ কৰে। নেন’ ইউৰিয়াৰ ৫০০ মিলিলিটাৰযুক্ত মাথোঁ এটা বটলেই ৪৫ কিলোগ্ৰামযুক্ত পৰম্পৰাগত ইউৰিয়াৰ এটা বেগৰ সমান পুষ্টি যোগান ধৰিবলৈ সক্ষম হ’ব বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত সাৰৰ পৰিবহণ, মজুতকৰণ আদিৰ ব্যয়ো যথেষ্ট পৰিমাণে হ্ৰাস পাব। দেশৰ সাধাৰণ কৃষকসকলৰ কল্যাণৰ স্বাৰ্থত ইফ্‌কোৱে উদ্ভাৱন কৰা এই মূল্যৱান প্ৰযুক্তি দেশৰ অন্যান্য ৰাজহুৱা খণ্ডৰ উদ্যোগকো প্ৰদান কৰি সংস্থাটোৱে প্ৰদৰ্শন কৰা উদাৰতাৰো মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে শলাগ লয়।

নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে অসমত নেন’ ইউৰিয়া উৎপাদনৰ এক প্ৰকল্প স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ ইফ্‌কোৰ প্ৰতি আহ্বান জনায়। ৰাজ্যখনত মাজে-সময়ে দেখা দিয়া ইউৰিয়া আৰু অন্যান্য সাৰৰ ব্যাপক নাটনিৰ প্ৰসংগ উল্লেখ কৰি এই দিশত বিশেষ চকু দিয়াৰ লগতে ৰাজ্যৰ কৃষকসকললৈ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ৰাসায়নিক সাৰৰ সুষম আৰু নিয়মীয়া যোগান সুনিশ্চিত কৰাৰ বাবে সাৰ বিতৰণ প্ৰক্ৰিয়াটো সু-শৃংখলিতকৰণৰ পদক্ষেপ ল'বলৈও তেওঁ ইফ্‌কোক আহ্বান জনায়।

আজিৰ অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা আৰু ইফ্‌কোৰ পৰিচালন সঞ্চালক ড° উদয় শংকৰ অৱস্থীয়েও ভাষণ প্ৰদান কৰে। ইফ্‌কোৰ অধ্যক্ষ বলবিন্দৰ সিং নাকাইয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় ইফ্‌কোৰ উপাধ্যক্ষ দিলীপ সাংহানীয়ে। এই ভাৰ্চুৱেল ফ্লেগ্ অফ অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্তমল্ল বৰুৱা, ইফ্‌কোৰ ৰাজ্যিক বিপণন প্ৰবন্ধক (উত্তৰ-পূব) অজিত ভট্টাচাৰ্যৰ লগতে সংস্থাটোৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

*প্ৰঃকুঃবঃ*
*০৭-০৮-২০২১*

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in